আজিৰ কাকত আজিয়েই
অষ্টম বৰ্ষপূৰ্তিত
News Next Oneৰ
বিশেষ সংযোজন
অনলাইন দৈনিক

www.newsnextone.com
# e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

MONDAY, FEBRUARY 19, 2024>> 10 PM www.newsnextone.comৰ অনলাইন নৈশ দৈনিক ।। প্ৰথম বছৰ, সংখ্যা ৫৩ Guwahati, Assam ।। মূল্যঃ এটকা

**বেলট পেপাৰ কলমেৰে ঘঁহি নষ্ট কৰাৰ কথা স্বীকাৰ প্ৰিজাইডিং বিষয়াৰ**

## চণ্ডীগড়ৰ মেয়ৰ নিৰ্বাচনক লৈ কঠোৰ উচ্চতম ন্যায়ালয়

নতুন দিল্লী, ১৯ ফেব্ৰুৱাৰীঃ লোকসভা নিৰ্বাচনৰ পূৰ্বে সাধাৰণ মেয়ৰ নিৰ্বাচনতে শাসকীয় বিজেপি দলৰ কাৰচাজি পোহৰলৈ অহাত দেশজুৰি চাঞ্চল্য অব্যাহত আছে। চিচিটিভি অন হৈ থকাৰ সময়তে মেয়ৰ পদৰ নিৰ্বাচনৰ সময়ত দায়িত্বপ্ৰাপ্ত নিৰ্বাচনী বিষয়াই কলমেৰে ঘঁহি বেলট পেপাৰ নষ্ট কৰি বিৰোধীৰ ভোট বাতিল কৰিছিল। সাধাৰণ নিৰ্বাচনৰ প্ৰাকমুহূৰ্তত এই ঘটনা পোহৰলৈ অহাত সাধাৰণ মেয়ৰ পদৰ নিৰ্বাচনত যদি এনে কৰা হৈছে তেন্তে লোকসভা নিৰ্বাচনত জয়ী হ'বলৈ কেনে পৰ্যায়লৈ যাব পাৰে বুলি প্ৰশ্ন উত্থাপন হৈছিল। কাৰচাজিক লৈ সমগ্ৰ দেশজুৰি চাঞ্চল্য সৃষ্টি কৰি অহাৰ শেষাংশ ২ পৃষ্ঠাত

## ৰাহুল গান্ধীৰ লগতে কংগ্ৰেছৰ ১১গৰাকী নেতালৈ অসম আৰক্ষীৰ চমন



**ই-সংবাদ, ১৯ ফেব্ৰুৱাৰীঃ** লোকসভা নিৰ্বাচনলৈ মাজ মাথো দুটামাহ বাকী থকা অৱস্থাত কংগ্ৰেছ দলৰ বিৰুদ্ধে কঠোৰ হৈছে বিজেপি শাসিত অসমৰ চৰকাৰৰ অধীনৰ আৰক্ষী। কংগ্ৰেছৰ বিৰুদ্ধে চৰকাৰে আক্ৰোশমূলক মনোভাৱ লোৱাৰ সময়তে অসম আৰক্ষী কংগ্ৰেছৰ বিৰুদ্ধে ব্যাপক হাৰত সক্ৰিয় হোৱা দেখা গৈছে। ভাৰত জোড়ো ন্যায় যাত্ৰা অসমৰ মাজেৰে পাৰ হৈ যোৱাৰ পাছতে অসমৰ মুখ্য বিৰোধী দলটোৰ কেইবাগৰাকী নেতাৰ বিৰুদ্ধে কেইবাটাও গোচৰ ৰুজু কৰা হৈছে। কংগ্ৰেছৰ শেষাংশ ৩ পৃষ্ঠাত



হিংসা জৰ্জৰিত মণিপুৰৰ সাধাৰণ লোকৰ বাবে পৰিৱেশ কৰ্মী লিচিপ্ৰিয়াৰ হেলমেট ক্ৰয়

**ৰহস্য অব্যাহত**

## মৰিয়নীৰ ছাত্ৰীৰ ভিডিঅ' বাৰ্তা প্ৰেৰণ

**ই-সংবাদ, ১৯ ফেব্ৰুৱাৰীঃ** উজনিৰ যোৰহাট জিলাৰ মৰিয়নীৰ দুগৰাকী ছাত্ৰী নিৰুদ্দেশ হৈ থকাৰ ঘটনাৰ চাঞ্চল্য অব্যাহত আছে। ১২ ফেব্ৰুৱাৰীত মৰিয়নীৰ নাগাজাংকাৰ ঘৰৰ পৰা ওলাই গৈ আজিলৈ উভতি অহা নাই দুই ছাত্ৰী। দুই কিশোৰী হাইস্কুল শিক্ষান্ত শেষাংশ ২ পৃষ্ঠাত




## আলফা স্বাধীনে বন্দী মানস বৰগোঁহাইক দিলে জীৱন দান

**ই-সংবাদ, ১৯ ফেব্ৰুৱাৰীঃ** দ্বিতীয় জীৱন লাভ কৰিলে মানস বৰগোহাঁয়ে। আলফা স্বাধীনৰ শিবিৰত চোৰাংচোৱা কৰিবলৈ যোৱাৰ সন্দেহত বন্দীত্বৰ সময় কটোৱা মানস বৰগোহাঁইক দিয়া মৃত্যুদণ্ডৰ ৰায় বাতিল কৰিছে আলফা স্বাধীনে। আজি আলফা স্বাধীনে এক বিবৃতি যোগে এই কথা ৰাজহুৱা কৰিছে। বিবৃতিযোগে আলফা স্বাধীনে কয় যে শেষাংশ ৩ পৃষ্ঠাত

প্ৰথম পৃষ্ঠাৰ পৰা...

# চণ্ডীগড়ৰ মেয়ৰ নিৰ্বাচনক

সময়তে শীৰ্ষ আদালতে কঠোৰ পদক্ষেপ লোৱা দেখা গৈছে। চণ্ডিগড়ৰ পৌৰ সভাৰ মেয়ৰ নিৰ্বাচন সন্দৰ্ভত উচ্চতম ন্যায়ালয়ে কঠোৰ স্থিতি গ্ৰহণ কৰিছে। উচ্চতম ন্যায়ালয়ত আজি পুনৰ এবাৰ শুনানি গ্ৰহণ কৰি নিৰ্বাচনৰ বেলট পেপাৰসমূহ জমা দিবলৈ আৰু ন্যায়ালয়ে নিজেই বেলট পেপাৰ প্ৰত্যক্ষ কৰিব বুলি স্পষ্ট কৰে। আদালতে পঞ্জাৱ আৰু হাৰিয়ানা উচ্চ ন্যায়ালয়ৰ পৰা বেলট পেপাৰ বিচাৰিছে। উচ্চতম ন্যায়ালয়ে পৰ্যাপ্ত নিৰাপত্তাৰ সৈতে বেলট পেপাৰ আনিবলৈ কৈছে। লগতে গণনাৰ সম্পূৰ্ণ ভিডিঅ' জমা কৰিবলেও কয়। অনিয়ম সংঘটিত কৰা প্ৰিজাইডিং বিষয়া অনিল মাছিহে শুনানিৰ সময়ত উচ্চতম ন্যায়ালয়ত হাজিৰ হয়। উচ্চতম ন্যায়ালয়ে মাছিহক সুধিছিল যে আপুনি কিছু বেলট পেপাৰত এক্স মাৰ্ক দিছে নে নাই। উত্তৰত মাছিহে কৈছিল যে আঠখন কাকতত দিয়া হৈছে। আপুনি মাথোঁ স্বাক্ষৰ কৰিব লাগিছিল, আপুনি কিয় চিহ্নি অংকন কৰিছিল। প্ৰিজাইডিং বিষয়া অনিল মাছিহে স্বীকাৰ কৰিছে যে তেওঁ বেলট পেপাৰক উদ্দেশ্য কৰি লৈছিল। উচ্চতম ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ ডি.ৱাই চন্দ্ৰচুড়ে কয় যে হ্ৰছ ট্ৰেডিং এক গুৰুতৰ বিষয়। যদি মাছিহ দোষী সাব্যস্ত হয় তেন্তে আইনী ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি কয় শীৰ্ষ ন্যায়ালয়ে। উচ্চতম ন্যায়ালয়ে পুনৰ কয় যে আমি উপাযুক্তক নতুন নিৰ্বাচন অনুষ্ঠিত কৰিবলৈ এজন ৰিটাৰ্ণিং বিষয়া নিয়োগ কৰিবলৈ কম। তেওঁ কোনো ৰাজনৈতিক দলৰ হ'ব নোৱাৰিব। উচ্চ ন্যায়ালয়ক বিষয়টো নিৰীক্ষণ কৰিবলৈ কম বুলিও কয় উচ্চতম ন্যায়ালয়ে। গোচৰৰ শুনানি মুখ্য ন্যায়াধীশ ডি.ৱাই চন্দ্ৰচুড়, ন্যায়াধীশ জে.বি পাৰ্দিৱালা আৰু ন্যায়াধীশ মনোজ মিশ্ৰাৰ বিচাৰপীঠে গ্ৰহণ কৰিছে। ৫ ফেব্ৰুৱাৰীত, উচ্চতম ন্যায়ালয়ে চণ্ডিগড়ৰ মেয়ৰ নিৰ্বাচনত এক গুৰুত্বপূৰ্ণ হস্তক্ষেপ কৰি নিৰ্বাচনৰ সকলো ৰেকৰ্ড সংৰক্ষণ কৰিবলৈ নিৰ্দেশ দিছিল। উচ্চতম ন্যায়ালয়ে পঞ্জাৱ আৰু হাৰিয়ানা উচ্চ ন্যায়ালয়ৰ মহাপঞ্জীয়কক ৰেকৰ্ড সুৰক্ষিত কৰিবলৈ কৈছিল। লগতে, ৰিটাৰ্ণিং বিষয়াজনক আদালতত হাজিৰ হ'বলৈ কোৱা হৈছিল। উচ্চতম ন্যায়ালয়ে আপৰ কাউন্সিলাৰৰ আবেদনক লৈ জাননী জাৰি কৰিছিল। গণতন্ত্ৰক হত্যা কৰিবলৈ অনুমতি দিয়া নহ'ব বুলি কৈছিল উচ্চতম ন্যায়ালয়ে। গোচৰৰ শুনানিৰ সময়ত উচ্চতম ন্যায়ালয়ে ৰিটাৰ্ণিং বিষয়াজনক তীব্ৰ ভৰ্ৎসনা কৰি ৰিটাৰ্ণিং বিষয়াই যি কৰিছে সেয়া গণতন্ত্ৰৰ হত্যাৰ দৰে বুলি কয়। ভিডিঅ'ত স্পষ্টকৈ দেখা গৈছে যে তেওঁ কেমেৰালৈ চাই আছে আৰু বেলট পেপাৰ নষ্ট কৰি আছে। বিষয়াজনৰ বিৰুদ্ধে আইনী ব্যৱস্থা লোৱা উচিত। নিৰ্বাচনৰ পৱিত্ৰতা বজাই ৰাখিবলৈ, চণ্ডিগড়ৰ মেয়ৰ নিৰ্বাচনৰ বিৱৰণ পঞ্জাৱ হাৰিয়ানা উচ্চ ন্যায়ালয়ৰ পঞ্জীয়কৰ ওচৰত দাখিল কৰাৰ নিৰ্দেশ দিছিল ন্যায়ালয়ে। আমি গণতন্ত্ৰক হত্যা কৰিবলৈ নিদিওঁ। লগতে, উচ্চতম ন্যায়ালয়ে পৰৱৰ্তী নিৰ্দেশ নিদিয়ালৈকে চণ্ডিগড় পৌৰ সভাক বাজেট উপস্থাপন নকৰিবলৈ কয়। উচ্চতম ন্যায়ালয়ে মঙলবাৰে দুপৰীয়া ২ বজাত পুনৰ শুনানি গ্ৰহণ কৰিব। প্ৰিজাইডিং বিষয়া মাছিহে আদালতত হাজিৰ থাকিব লাগিব। উল্লেখ্য যে, ৩০ জানুৱাৰীত পুৱা ১০ বজাত মেয়ৰ পদৰ নিৰ্বাচন অনুষ্ঠিত হৈছিল। চণ্ডিগড় পৌৰ সভাত কংগ্ৰেছ-আপৰ ২০ কাউন্সিলাৰ আৰু বিজেপিৰ ১৬ কাউন্সিলাৰ আছে। ভোটদানো কৰিছিল ৩৬ জন কাউন্সিলাৰে। কিন্তু বিষয়া অনিল মাছিহে ৮জন কাউন্সিলাৰৰ ভোট অযোগ্য ঘোষণা কৰিছিল। এই সকলো ৮ কংগ্ৰেছ-আপৰ সদস্য আছিল।

প্ৰথম পৃষ্ঠাৰ পৰা...

# মৰিয়নীৰ ছাত্ৰীৰ ভিডিঅ' বাৰ্তা

পৰীক্ষাৰ পৰীক্ষাৰ্থী আছিল বুলি জানিব পৰা গৈছে। নিৰুদ্দেশ হোৱাৰ পাছতে পৰিয়ালে মৰিয়নী আৰক্ষী থানাত এজাহাৰ দাখিল কৰিছিল যদিও আজিলৈ দুই ছাত্ৰীক উদ্ধাৰ কৰিব নোৱাৰিলে আৰক্ষীয়ে। আৰক্ষীয়ে মোবাইল ফোনৰ দ্বাৰা বাংগালুৰুত থকা বুলি সন্দেহ কৰা বুলি জানিব পৰা গৈছে। দুগৰাকী কিশোৰীয়ে প্ৰেমিকৰ সৈতে বাংগালুৰুলৈ যোৱা সন্দেহ কৰা হৈছে। বাংগালুৰুলৈ যোৱাৰ পূৰ্বে তিনি কিশোৰী আৰু তিনি যুৱক যোৰহাটৰ এখন ল'জত আছিল বুলি এগৰাকী বান্ধৱীয়ে প্ৰকাশ কৰিছিল। বান্ধৱীগৰাকী উক্ত ল'জত আছিল যদিও পাছত তেওঁ ঘৰলৈ উভতি আহে। তিনি কিশোৰীৰ সৈতে অৰ্পিত, মৌচম, আৰু তৰুণ নামৰ তিনি যুৱক আছিল। ঘৰলৈ উভতি অহা কিশোৰীৰ নাম পোহৰলৈ অহাত বহু তথ্য পোহৰলৈ আহিছে। তিনি কিশোৰীয়ে ফোনযোগে প্ৰথমে হুজেল লস্কৰ (বিকি) নামৰ যুৱকৰ সৈতে বাংগালুৰুলৈ যোৱাৰ কথা পাতিছিল। পাছত তিনি কিশোৰীয়ে উক্ত যুৱক কেইজনৰ সৈতে যোৰহাটৰ ল'জত নিশা কটায় অন্তৰ্ধান হয়। আনহাতে, কিশোৰীগৰাকীয়ে দুই কিশোৰীৰ নিৰুদ্দিষ্ট হোৱাৰ কাণ্ডত জড়িত নহয় বুলি দাবী কৰিছে। তেওঁক বাংগালুৰুলৈ যাবলৈ লগ ধৰা বুলিহে মন্তব্য কৰে। ইয়াৰ মাজতে সন্ধানহীন দুই ছাত্ৰীয়ে সংবাদ মাধ্যমলৈ এটা ভিডিঅ' প্ৰেৰণ কৰিছে। দুই ছাত্ৰীয়ে আত্মসন্মানৰ বাবেহে ঘৰৰ পৰা পলায়ন কৰা বুলি দাবী কৰিছে। ভিডিঅ'ত উল্লেখ কৰা মতে, তেওঁলোকৰ বান্ধৱীৰ বায়েকে ভাবুকি দিছিল। ভাল পোৱা যুৱকৰ সৈতে থকাৰ কথা পৰিয়াল আৰু আৰক্ষীক কৈ দিম বুলি ভাবুকি দিয়াৰ ফলতহে পলায়ন কৰিছিল। বান্ধৱীৰ বায়েক আৰু অভিদ্বীপ নামৰ যুৱকে ভাবুকি দিয়াৰ লগতে মানসিক হেঁচাও দিছিল। পৰিয়ালৰ ককৰ্থনাৰ লগতে সমাজত বদনামী হোৱাৰ ভয়ত ঘৰৰ পৰা আঁতৰি যোৱাৰ সিদ্ধান্ত লয় দুই ছাত্ৰীয়ে। মৰিয়নীৰ এগৰাকী সাংবাদিকৰ সৈতেও কথা পাতিছে দুই ছাত্ৰীয়ে। দুই ছাত্ৰীয়ে যোৰহাটৰ ল'জত সময় কটোৱাৰ কথা স্বীকাৰ কৰি বৰ্তমান কলকাতাত থকা বুলি উল্লেখ কৰে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# আলফা স্বাধীনে বন্দী মানস

সাংগঠনিক নিম্ন সদনৰ বিচাৰৰ অন্তত এই সিদ্ধান্ত লোৱা হয়। নিম্ন সদনে মানস বৰগোহাঁইৰ এবছৰৰ লঘু শাস্তি প্ৰদান কৰিছে। এবছৰকাল আলফাৰ শিবিৰত শ্ৰম কৰিব লাগিব। আনহাতে, ৫ বছৰলৈ আলফা স্বাধীনৰ সদস্য পদ অবিহনে সংগঠনটোৰ শিবিৰত থাকিব লাগিব। উল্লেখ্য যে, বিগত ২১ জানুৱাৰীত বন্দী কৰিছিল মানস বৰগোহাঁইক। অসম আৰক্ষীয়ে মানস বৰগোহাইক গুপ্তচৰ হিচাপে প্ৰেৰণ কৰা বুলি উল্লেখ কৰি নিজকে অসম আৰক্ষীৰ বিশেষ শাখাৰ উপ-পৰিদৰ্শক বুলি দাবী কৰিছিল। তেওঁৰ লগতে আন ৯গৰাকী সদস্যই অসম আৰক্ষীৰ হৈ গুপ্তচৰ হিচাপে কাম কৰা বুলি দাবী কৰিছিল মানসে। মানসে কেইবাটাও ভিডিঅ' জাৰি কৰাত অসমত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হয়। অসমৰ বিভিন্ন লোকে মানসক জীৱনদান দিবলৈ আহ্বান জনাইছিল আলফা স্বাধীনক। ৰাইজৰ আহ্বানৰ প্ৰতি সহাঁৰি জনাই আলফা স্বাধীনে মৃত্যুদণ্ডৰ ৰায় বাতিল কৰে। বিচাৰ প্ৰক্ৰিয়াত চোৰাংচোৱাগিৰি তথা গুপ্ত ষড়যন্ত্ৰত লিপ্ত থকাৰ অপৰাধত দোষী সাব্যস্ত হোৱাত চৰম শাস্তি মৃত্যুদণ্ডৰে দণ্ডিত কৰিছিল। আলফা স্বাধীনৰ সভাপতি পৰেশ বৰুৱাই সাংবিধানিক বিশেষাধিকাৰৰ ভিত্তিত, মানৱীয়তাৰ খাতিৰত আৰু অসমবাসীৰ জনমতক সন্মান জনাই মৃত্যুদণ্ড ৰদ কৰে। ১৩ ফেব্ৰুৱাৰীত আলফা স্বাধীনৰ ম্যানমাৰৰ শিবিৰত বিচাৰ অনুষ্ঠিত হয়। সংগঠনটোৰ নিম্ন পৰিষদৰ সভাপতিৰ অধ্যক্ষতাত তিনিজনীয়া জুৰী সদস্যক সাক্ষ্য প্ৰমাণসহ মানস বৰগোহাঁয়ে ষড়যন্ত্ৰমূলক পৰিকল্পনাৰ সবিশেষ নিজ মুখে ব্যক্ত কৰিছে। অসম আৰক্ষী বিশেষ শাখাৰ বায়'মেট্ৰিক্সৰ প্ৰশিক্ষণপ্ৰাপ্ত গুপ্তচৰ হিচাপে সংগঠনত যোগদান, আলফা স্বাধীনৰ আভ্যন্তৰীণ যোগাযোগ ব্যৱস্থাত আধুনিক যন্ত্ৰ সংস্থাপন, তথ্য আহৰণ-প্ৰেৰণৰ কথাও স্বীকাৰ কৰে। তেওঁৰ মৃত্যুদণ্ডৰ ৰায় বাতিল কৰা হৈছে। ৫ বছৰলৈ সংগঠনৰ পদৰ বাবে অযোগ্য হৈ থাকিব। সদস্য পদ অবিহনেই আলফা স্বাধীনৰ শিবিৰত থাকিব লাগিব। আনহাতে, মানস বৰগোঁহায়ে দাবী কৰি কয় যে ২০২১ চনৰ পৰাই অসম আৰক্ষীৰ বিশেষ শাখাৰ উপ-পৰিদৰ্শক আৰু আণ্ডাৰকভাৰ এজেণ্ট হিচাপে কাম কৰিছিল। অসম আৰক্ষী সঞ্চালক প্ৰধান জি.পি সিং, উপ-মহাপৰিদৰ্শক পাৰ্থ সাৰথি মহন্তৰ লগতে আন আন শীৰ্ষ আৰক্ষী বিষয়া আলফা স্বাধীন বিধ্বংসী অভিযানৰ পৰিকল্পনাৰ আঁৰত প্ৰত্যক্ষভাৱে জড়িত আছিল। অসম আৰক্ষীৰ বিশেষ শাখাৰ মাণ্ডলিক বিষয়া হিচাপে পৰিচিয় দিয়া মানস চলিহাই কেইবাগৰাকী যুৱক-যুৱতীক বিগত বৰ্ষৰ জুন মাহৰ পৰা সংগঠনত যোগদানৰ আগমুহূৰ্তলৈ প্ৰশিক্ষণ দিছিল। ইপিনে মানস বৰগোহাঁইৰ পিতৃ দেবেন বৰগোহাঁই আৰু মাতৃ ৰঞ্জু বৰগোঁহায়ে পুত্ৰক ক্ষমা কৰি দিয়াত আলফা স্বাধীনক ধন্যবাদ জ্ঞাপন কৰিছে। লগতে পুত্ৰক সোঁশৰীৰে ঘৰলৈ পঠিয়াই দিবলৈ পৰেশ বৰুৱাক কাতৰ অনুৰোধ জনায়। আলফা স্বাধীনৰ সেনাধ্যক্ষ পৰেশ বৰুৱাই পিতৃ-মাতৃৰ সৈতে ফোনযোগে কথা পাতিছিল।

প্ৰথম পৃষ্ঠাৰ পৰা...

# ৰাহুল গান্ধীৰ লগতে কংগ্ৰেছৰ

প্ৰাক্তন ৰাষ্ট্ৰীয় সভাপতি তথা সাংসদ ৰাহুল গান্ধীৰ বিৰুদ্ধে গোচৰ ৰুজু কৰা হৈছে। কেৱল ৰাহুল গান্ধীয়ে নহয় ৰাষ্ট্ৰীয় কংগ্ৰেছ আৰু অসম কংগ্ৰেছৰ আন কেইবাগৰাকী নেতাৰ বিৰুদ্ধে গোচৰ ৰুজু কৰা হৈছে। এইবাৰ অসম আৰক্ষীৰ চিআইডি-এ আৰম্ভ কৰিছে তদন্ত। তদন্ত কৰি থকাৰ লগতে চমন জাৰি কৰিছে অসম আৰক্ষীয়ে। উত্তৰ প্ৰদেশত ভাৰত জোড়ো ন্যায় যাত্ৰাত ব্যস্ত থকা কংগ্ৰেছ নেতা ৰাহুল গান্ধীক চমন জাৰি কৰিছে অসম আৰক্ষীৰ অপৰাধ অনুসন্ধান বিভাগে। ২৩ ফেব্ৰুৱাৰীত গুৱাহাটীৰ উলুবাৰীস্থিত চিআইডিৰ কাৰ্যালয়ত হাজিৰ হ'বলৈ নিৰ্দেশ দিয়া হৈছে। ৰাহুল গান্ধীৰ সৈতে দলটোৰ জ্যেষ্ঠ নেতা জয়ৰাম ৰমেশ, কে.চি বেনুগোপাল, জীতেন্দ্ৰ সিং, যুৱ কংগ্ৰেছৰ ৰাষ্ট্ৰীয় সভাপতি বি.ভি শ্ৰীনিবাস, কানহায়া কুমাৰ, ভূপেন বৰা, গৌৰৱ গগৈ, দেৱব্ৰত শইকীয়া, জাকিৰ হুছেইন শিকদাৰ আৰু ৰমেন কুমাৰ শৰ্মাক চমন জাৰি কৰা হৈছে। সকলো নেতাক চিআইডিৰ কাৰ্যালয়ত হাজিৰ হ'বলৈ নিৰ্দেশ দিয়া হৈছে। কংগ্ৰেছ নেতাসকলক ২৩ ফেব্ৰুৱাৰীত চিআইডিৰ সন্মুখত হাজিৰ হ'বলৈ নিৰ্দেশ দিছে। চিআইডিয়ে ফৌজদাৰী ধাৰাৰ ৪১ এ (৩)ৰ অধীনত গ্ৰেপ্তাৰো কৰিব পাৰিব। ধাৰা ৪১এ-ৰ উপ-ধাৰা (১)ৰ অধীনত প্ৰদান কৰা গোচৰ নং 55/2024 আৰু ভাৰতী দণ্ড বিধিৰ 120বি/142/147/283/ 253/332/332/333/188/427 ধাৰা সন্নিৱিষ্ট কৰা হৈছে। পাব্লিক প্ৰপাৰ্টি এক্টত গোচৰ পঞ্জীয়ন কৰা হৈছে। উল্লেখ্য যে, ২৩ জানুৱাৰীত ৰাহুল গান্ধীৰ ভাৰত জোড়ো ন্যায় যাত্ৰা গুৱাহাটীত উপস্থিত হয়। গুৱাহাটীত উপস্থিত হোৱাৰ পূৰ্বেই মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই মহানগৰীৰ ভিতৰত প্ৰৱেশ কৰিব নিদিয়াৰ হুংকাৰ দিছিল। গোচৰ ৰুজু কৰি ৰাহুল গান্ধীক গ্ৰেপ্তাৰ কৰাৰ ধমক দিছিল। গুৱাহাটীত ন্যায় যাত্ৰা উপস্থিত হোৱাত আৰক্ষী আৰু কংগ্ৰেছ সমৰ্থকৰ মাজত হতাহতি পৰ্যন্ত হয়। ৰাহুল গান্ধী মেঘালয়ৰ পৰা গুৱাহাটী উপস্থিত হোৱাৰ পূৰ্বেই অসম আৰক্ষীয়ে খানাপাৰাৰ সকলো প্ৰৱেশ পথত বেৰিকেড লগাই বন্ধ কৰি দিছিল। বেৰিকেডৰ সন্মুখত আৰক্ষী থিয় হৈ কংগ্ৰেছ নেতা-কৰ্মীক পথৰ পৰা আতৰাবলৈ আৰম্ভ কৰিছিল। সভাপতি ভূপেন বৰাক বগৰাই পেলাই দিছিল আৰক্ষীয়ে। তাৰ পাছতে মুখ্যমন্ত্ৰীয়ে সমস্ত ঘটনাক লৈ গোচৰ ৰুজু কৰাৰ নিৰ্দেশ দিছিল আৰক্ষীক।

# ‘বৰ্দ্ধিত পৌৰকৰ’ক লৈ ওদালগুৰি চহৰত নাগৰিক সভা



**ই-সংবাদ, ওদালগুৰি, ১৯ ফেব্ৰুৱাৰীঃ** নাগৰিক অধিকাৰ দাবী সমিতি ওদালগুৰিৰ আহ্বানত কালি ওদালগুৰিৰ বিষ্ণু ৰাভা কৃষ্টি সংঘ সভাগৃহত এখনি ৰাজহুৱা নাগৰিক সভা অনুষ্ঠিত হৈ যায়। গিৰীন্দ্ৰ নাথ চৌধুৰীয়ে সভাপতিত্ব কৰা তথা দীপক শৰ্মাই আতধৰা সভাখনিত ওদালগুৰি জিলা সত্ৰ ন্যায়াধীশৰ দেৱানী আদালতত বিচৰাধীন ওদালগুৰি পৌৰসভাই এক এপ্ৰিল ২০২২ তাৰিখৰ পৰা বলবৎ কৰা বৰ্ধিত পৌৰকৰৰ বিষয়টিৰ আলোচনা হয় ৷ উল্লেখ্য যে উক্ত তাৰিখৰ পৰা অসমৰ বাকী পৌৰসভাত নতুন পৌৰকৰ বলবৎ হোৱাৰ সময়ত স্থানীয় নাগৰিকৰ দাবীৰ প্ৰতি সহাৰি দি বিভিন্ন স্থানত অত্যাধিক নিৰিখৰ পৌৰকৰ হ্ৰাস কৰা হ’ল। কিন্তু ওদালগুৰি পৌৰসভাই পাইলট প্ৰজেক্টৰ নামত এটা বছৰ অতিৰিক্তকৈ নতুন নিৰিখত লগতে অত্যাধিক হাৰত পৌৰকৰ বলবৎ কৰি ওদালগুৰি নগৰবাসীক দুই ধৰণে অন্যায় কৰা বুলি সভাই একেমুখে সমালোচনা কৰে। এনে অগণতান্ত্ৰিক আচৰণৰ পৰা আতৰি অসমৰ বাকী পৌৰসভা সমূহৰ দৰেকৈ পৌৰকৰ নিম্নতম বহনক্ষম হাৰত লোৱা উচিত বুলি সভাত আলোচিত হয়। এই ক্ষেত্ৰত বিগত বৰ্ষৰ ১০ মাৰ্চ তাৰিখ গৃহ আৰু নগৰ পৰিক্ৰমা মন্ত্ৰী অশোক সিংহাল ডাঙৰীয়াই অসমৰ সমূহ পৌৰসভাত পৌৰকৰ পূৰ্বৰ কৰৰ সতে ২৫% শতাংশকৈ বঢ়োৱাৰ বাবে পঠোৱা পত্ৰৰ প্ৰসংগও সভাত আলোচিত হয়। সেই সময়ত বিধান সভাৰ বিতৰ্কতো পৌৰমন্ত্ৰীয়ে উক্ত কথাকে কোৱাৰ প্ৰসংগটিও নাগৰিক সভাত স্থান পায়। যিহেতু ওদালগুৰিৰ পৌৰকৰৰ বিষয়টো ন্যায়ালয়ৰ ওচৰত আছে গতিকে মহামান্য ন্যায়ালয়ে উক্ত নিৰিখত পৌৰকৰ নিৰ্ধাৰণ কৰিলে আপত্তি নাথাকিব বুলি সভাই ঐক্যমত্য প্ৰকাশ কৰে৷ ইফালে ওদালগুৰি নগৰখনখনক লৈ স্থানীয় পৌৰসভাৰ সচেতনতাৰ দিশটোও সভাত স্থান পায়। কেৱল মাত্ৰ পৌৰকৰ সংগ্ৰহৰ নামত ব্যস্ত থকা পৌৰসভাই নগৰখনত পৰিস্কাৰৰ ক্ষেত্ৰত কোনো ধৰণৰ চকুত লগা কাম কৰা পৰিলক্ষিত হোৱা নাই। আনকি ওদালগুৰি সাপ্তাহিক বজাৰত মাংসৰ পেলনীয়া আৱৰ্জনাই পাহাৰ সদৃশ পৰিৱেশৰ সূচনা কৰি অঞ্চলতটোত দুৰ্গন্ধই ছানি ধৰিছে৷ এই অভিযোগবোৰ পোৱাৰ পিছতো পৌৰসভাই কানসাৰ নিদিয়ে বুলি নাগৰিক সভাত উপস্থিত একাংশই সৌচ্চাৰ হৈ পৰে৷ নলা-নৰ্দমাৰ ব্যৱস্থা বিজ্ঞানসন্মত নোহোৱাত, জনবহুল এলেকাৰ ঢাকনিবিহীন নলাবোৰে দুৰ্গন্ধ বিয়পায় একেই অস্বাস্থ্যসন্মত পৰিৱেশ বিৰাজ কৰোৱা বুলি আলোচিত হয়৷ পৌৰসভাৰ কাম কাজবোৰ এনে গতিৰ হৈ থাকিলে সমগ্ৰ ওদালগুৰি নগৰখন প্ৰদূষিত ভয়াবহ এখন অতি লেতৰা নগৰ হবলৈ বেছি দিন নালাগিব বুলি ক্ষোভ ব্যক্ত কৰে৷ পৌৰসভাই খোৱা পানী যোগানৰ ব্যৱস্থা নকৰা, নগৰখনৰ প্ৰতিটো কাষৰীয়া পথেই জৰাজীৰ্ণ হোৱা, কেইবটাও ৱাৰ্ডৰ পথ আৱেদন জনোৱা জনোৱা স্বত্বেও পকীকৰণ নকৰা, ডাষ্টবিনৰ অভাৱ, পৰ্যাপ্ত ষ্টিট লাইটৰ ব্যৱস্থা নকৰা ইত্যাদি সমস্যাবোৰ কোনো সমাধান নকৰা অৱস্থাত পৌৰকৰ কিহৰ বিনিময়ত দিব লাগে বুলি সভাত কেইবাজনেও প্ৰশ্ন কৰে। নাগৰিক সভাই ওদালগুৰি নগৰৰ বিভিন্ন সমস্যাক লৈ শীঘ্ৰে এখনি দাবীপত্ৰ দিয়াৰো সিদ্ধান্ত গ্ৰহণ কৰে। উল্লেখ্য যে উক্ত নাগৰিক সভাখনত অৱসৰ প্ৰাপ্ত খণ্ড উন্নয়ন বিষয়া অমল দাস, ওদালগুৰি পৌৰসভাৰ প্ৰাক্তন উপ-সভাপতি হিৰন্ময়ী গোস্বামী, ৰাষ্ট্ৰপতি বটাপ্ৰাপ্ত শিক্ষয়ত্ৰী প্ৰতিভা চহৰীয়া, সাংবাদিক গৌতমজ্যোতি তালুকদাৰ, ওদালগুৰি নগৰ পালিকাৰ প্ৰাক্তন উপ-সভাপতি সুচেন ওজা, অৱসৰ প্ৰাপ্ত অধ্যাপক থুনু দাস, জেষ্ঠ নাগৰিক প্ৰমোদ বৈশ্য, প্ৰভাত দাস, ঋষিৰাম পোখ্ৰেল আদিকে ধৰই শতাধিক নাগৰিকে অংশগ্ৰহণ কৰে৷

## সমাজ বিজ্ঞানৰ পৰিবৰ্তে সাধাৰণ বিজ্ঞানৰ প্ৰশ্নকাকত

# কোকৰাঝাৰত মেট্ৰিক পৰীক্ষাত অঘটন




**কোকৰাঝাৰ, ১৯ ফেব্ৰুৱাৰীঃ** কোকৰাঝাৰত মেট্ৰিক পৰীক্ষাত অঘটন সংঘটিত হৈছে। কোকৰাঝাৰ সদৰ চহৰৰ ডিএন হিম্মৎসিংকা হাইস্কুলত খেলিমেলিৰ ঘটনা সংঘটিত হৈছে। আজি মেট্ৰিকৰ সমাজ বিজ্ঞানৰ পৰীক্ষা আছিল আৰু সেইমতে পৰীক্ষাৰ্থীসকলে নিজ নিজ আসনত বহি পৰীক্ষা দিয়াৰ বাবে সাজু হৈ আছিল। পৰীক্ষাৰ দায়িত্বত থকা শিক্ষকসকলে সমাজ বিজ্ঞানৰ প্ৰশ্নকাকতৰ টোপোলা খোলাত দেখা পায় যে ভিতৰৰ টোপোলাত সাধাৰণ বিজ্ঞানৰ হে প্ৰশ্নকাকত আছিল। লগে লগে বিষয়টো উৰ্ধতন কৰ্তৃপক্ষক অৱগত কৰায় আৰু ততাতৈয়াকৈ প্ৰশ্নকাকতৰ টোপোলাটো থানাত জমা দি নতুন প্ৰশ্নকাকতৰ টোপোলা আনি পৰীক্ষা পাতে। সমগ্ৰ প্ৰক্ৰিয়াটো সম্পূৰ্ণ কৰিবলৈ কমেও ১০ -১৫ মিনিট সময় গুচি যায় যাৰ পৰিণতিতত পৰীক্ষা আৰম্ভ কৰাত কিছু পলম হয়। ইপিনে অভিভাৱক সকলে লোকচান হোৱা সময় বঢ়াই দিয়াৰ দাবী উত্থাপন কৰিছে। লোকচান হোৱা সময়খিনি পৰীক্ষাৰ্থীক বঢ়াই নিদিলে তেওঁলোক সমস্যাত পৰিব বুলি মন্তব্য কৰিছে। আনহাতে বিটিচিৰ শিক্ষা বিভাগৰ ভাৰপ্ৰাপ্ত সঞ্চালক তথা বিদ্যালয় পৰিদৰ্শক জগদীশ প্ৰসাদ ব্ৰহ্মই সংবাদমাধ্যমৰ আগত লেবেল তথা পেকেটিংৰ ভুলৰ বাবেহে এনে ঘটনা সংঘটিত হবলৈ পালে বুলি মন্তব্য কৰিছে। পেকেটৰ ওপৰত সমাজ বিজ্ঞান বুলিয়েই লিখা আছিল যদিও পেকেটৰ ভিতৰত আকৌ সাধাৰণ বিজ্ঞানৰ হে লেবেল আছিল বুলি মন্তব্য কৰিছে। উক্ত ঘটনাৰ বিষয়ে অৱগত হোৱাৰ পিছতেই সম্পূৰ্ণ সুৰক্ষিত অৱস্থাত প্ৰশ্নকাকতৰ টোপোলাসমূহ কোকৰাঝাৰ সদৰ থানাত জমা দিয়া হয় আৰু প্ৰশ্নকাকতৰ নতুন টোপোলা আনি পৰীক্ষা অনুষ্ঠিত কৰা হয়। পাঁচমিনিটমান সময় পলম হ'ল আৰু সেয়া বঢ়াই দিব পৰা যাব বুলি মন্তব্য কৰি ভাল পেকেটিংৰ বাবে অনাকাংক্ষিত ঘটনা নহল বুলি মন্তব্য কৰিছে বিটিচিৰ শিক্ষা বিভাগৰ ভাৰপ্ৰাপ্ত সঞ্চালক তথা বিদ্যালয় পৰিদৰ্শক জগদীশ প্ৰসাদ ব্ৰহ্মই।

# জ্যোতিপ্ৰসাদ ৰাজখোৱালৈ সন্মান

**গুৱাহাটী, ১৯ফেব্ৰুৱাৰীঃ** অসম সাহিত্য সভাই বিশ্বমহাবীৰ চিলাৰায় সন্মান প্ৰদান কৰিব বিশিষ্ট সাহিত্যিক, সুপ্ৰশাসক, অসম চৰকাৰৰ প্ৰাক্তন মুখ্য সচিব তথা অৰুণাচল প্ৰদেশৰ প্ৰাক্তন মহামহিম ৰাজ্যপাল জ্যোতিপ্ৰসাদ ৰাজখোৱালৈ। ১৯ ফেব্ৰুৱাৰীত অসমসাহিত্য সভাৰ প্ৰধান সম্পাদক ডঃ উপেন্দ্ৰজিৎ শৰ্মাই এই বিষয়ে প্ৰকাশ কৰে।

অসম সাহিত্য সভাৰ ধুবুৰী আঞ্চলিক কাৰ্যালয়ত আবেলি এখনি সংবাদ মেল সম্বোধন কৰি সভাৰ প্ৰধান সম্পাদক ডঃ উপেন্দ্ৰজিৎ শৰ্মাই কয় যে অসম সাহিত্য সভাই প্ৰথমবাৰৰ বাবে অসমৰ জাতীয় জীৱনৰ এগৰাকী বিশিষ্ট চিন্তাশীল ব্যক্তি, সাহিত্যিক, সুপ্ৰশাসক জ্যোতিপ্ৰসাদ ৰাজখোৱাদেৱলৈ বিশ্বমহাবীৰ চিলাৰায় সন্মান আগবঢ়াইছে।

## ঘৰ-দুৱাৰ হেৰুৱাই ৰাইজৰ হাহাকাৰ, শীঘ্ৰে ক্ষতিপূৰণ প্ৰদানৰ দাবী

# পথ সম্প্ৰসাৰণৰ নামত তিনিচুকীয়াত কৃষিভূমি অধিগ্ৰহণ




**ই সংবাদ, তিনিচুকীয়া, ১৯ফেব্ৰুৱাৰীঃ** তিনিচুকীয়া জিলাৰ ডিৰাকৰ সোণজানৰ পৰা ৰহবাৰী চাৰিআলিলৈকে পথ সম্প্ৰসাৰণৰ নামত ভূমি অধিগ্ৰহণ কৰি ক্ষতিপূৰণ নিদিয়াত জাঙুৰ খাই উঠিছে ৰাইজ। অসম মালা আঁচনিৰ অধীনত পথ নিৰ্মাণৰ নামত ভূমি অধীগ্ৰহণ কৰা হৈছিল। পৰিয়ালসমূহক ক্ষতিপূৰণ নিদিয়াত আজি ৰাইজে পথ অৱৰোধ কৰি প্ৰতিবাদ জনায়। বুঢ়ীদিহিং-কৈলাসপুৰৰ ৰাইজ আৰু বিভিন্ন দল-সংগঠনৰ সহযোগত আজি পুৱা ১০ বজাৰ পৰা দুটাকৈ স্থানত পথ অৱৰোধ কাৰ্যসূচী ৰূপায়ন কৰে ৰাইজে। বিভিন্ন শ্ল’গান দি ৰাইজে পৰিৱেশ উত্তাল কৰি তোলে। ক্ষতিগ্ৰস্ত ৰাইজক এসপ্তাহৰ ভিতৰত ক্ষতিপূৰণ আদায়, স্থানীয় লোকক অসম মালাৰ পথ নিৰ্মাণত কামত সুবিধা দিয়া, সা-সামগ্ৰী যোগানৰ দায়িত্ব স্থানীয় যোগানকাৰীক দিয়াৰ দাবীত প্ৰতিবাদী কাৰ্যসূচী হাতত লয় ৰাইজে। শীঘ্ৰে ক্ষতিগ্ৰস্ত পৰিয়ালক ক্ষতিপূৰণ আদায় নিদিলে জংগী আন্দোলন কৰাৰ ভাবুকি প্ৰদান কৰিছে ৰাইজে। সোণজানৰ পৰা ৰহবাৰী চাৰিআলিলৈকে পথ সম্প্ৰসাৰণ কৰাত কৃষিভূমি, ঘৰ-দুৱাৰ ভাঙিবলগীয়া হোৱাৰ লগতে জীৱন নিৰ্বাহ কৰাত সমস্যাত পৰিছে। স্থানীয় প্ৰশাসনৰ জড়িয়তে ৰাজ্য চৰকাৰক স্মাৰক পত্ৰ প্ৰদান কৰি ক্ষতিগ্ৰস্ত প্ৰতিটো পৰিয়ালক উচিত ক্ষতিপূৰণ প্ৰদানৰ দাবী জনায়। নিৰ্মাণ প্ৰতিষ্ঠানে নিৰ্মাণৰ কামত ১০০ শতাংশ স্থানীয় থলগিৰিক মকৰল কৰাৰ ব্যৱস্থা গ্ৰহণ, স্থানীয় যোগানকাৰীক উপ-ঠিকা প্ৰদান, শ্ৰমিক হিচাপে নিয়োজিত শ্ৰমিকক সপ্তাহৰ মূৰে মূৰে পাৰিতোষিক প্ৰদান, বাৰিষাকালৰ প্ৰতি লক্ষ্য ৰাখি জনগণ আহ-যাহ কৰিব পৰাকৈ উপ-পথৰ ব্যৱস্থা কৰাৰ, পথ নিৰ্মাণত দুৰ্নীতি-ভ্ৰষ্টাচাৰ মুক্ত বিষয়াক নিয়োগৰ দাবী জনাই ৰাইজে।

# ব্ৰহ্মপুত্ৰত জাহ যোৱাৰ উপক্ৰম মাজুলীৰ ভকত চাপৰি




**ই-সংবাদ, মাজুলী, ১৯ ফেব্ৰুৱাৰীঃ** নদীদ্বীপ মাজুলীক সুৰক্ষিত কৰাত বিফল হৈছে হিমন্ত বিশ্ব শৰ্মাৰ চৰকাৰ। মাজুলীত খহনীয়া অব্যাহত থকাৰ পাছতো খহনীয়া ৰোধৰ ব্যৱস্থা নকৰাৰ অভিযোগ উত্থাপন হৈছে। আজি খহনীয়া ৰোধত বিফল চৰকাৰৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰে মাজুলী ছাত্ৰ সন্থাই। মাজুলী ছাত্ৰ সন্থাৰ নেতা-কৰ্মীয়ে ব্ৰহ্মপুত্ৰৰ দাঁতিত বিভিন্ন শ্ল'গান দি উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। খহনীয়াগ্ৰস্ত ভকত চাপৰিত বিক্ষোভ কাৰ্যসূচী ৰূপায়ন কৰি খহনীয়া ৰোধত ব্যৰ্থ ব্ৰহ্মপুত্ৰ বৰ্ড আৰু জিলা প্ৰশাসনৰ বিৰুদ্ধে তীব্ৰ ক্ষোভ ব্যক্ত কৰে ছাত্ৰ সন্থাই। স্থানীয় ৰাইজ আৰু আছু কৰ্মীসকলে হাতে হাতে প্লে কাৰ্ড লৈ ভকত চাপৰিক সুৰক্ষা দিয়ক,অসম চৰকাৰ হায়ঃ হায়ঃ, ব্ৰহ্মপুত্ৰ বৰ্ড হায়ঃ হায়ঃ আদি শ্ল'গান দিয়ে। জিলা প্ৰশাসনক স্মাৰক পত্ৰ প্ৰদান কৰি তাৎক্ষণিক ব্যৱস্থা ল'বলৈ দাবী জনায়। মাজুলী ছাত্ৰ সন্থাই শীঘ্ৰে খহনীয়া ৰোধৰ বাবে বিশেষ আঁচনি ৰূপায়নৰ দাবী উত্থাপন কৰে। ২০০৪ চনৰ পৰাই মাজুলীৰ ভকতচাপৰি, শালমৰা, চুমৈমাৰি আদি অঞ্চল খহনীয়াত পতিত হৈ আহিছে। জিলা ছাত্ৰ সন্থাৰ সভাপতি প্ৰাণজিৎ হাজৰিকা আৰু সাধাৰণ সম্পাদক দিপাংকৰ ৰাজখোৱাই খহনীয়া প্ৰতিৰোধত ব্ৰহ্মপুত্ৰ ব'ৰ্ড ব্যৰ্থ হোৱাৰ অভিযোগ আনে। সদৌ অসম ছাত্ৰ সন্থাৰ সাংস্কৃতিক সম্পাদৰ বিতোপন শৰ্মাই কয় যে বছৰি শ শ কোটি টকা লুণ্ঠনৰাজ চলাইছে বিভাগ আৰু ব'ৰ্ডে কাৰ আশীৰ্বাদত ঠিকাদাৰে হেতালি খেলিছেমাজুলীখনক লৈ? সকলো প্ৰশ্নৰ উত্তৰ বিচৰা হৈছে জিলা প্ৰশাসন তথা চৰকাৰৰ পৰা। বিশেষকৈ ভকতচাপৰি, শালমৰা, চুমৈমাৰি আদি অঞ্চল বছৰি খহনীয়াত পতিত হৈ আহিছে আৰু কাণসাৰ নিদিয়ে জিলা প্ৰশাসন আৰু ব্ৰহ্মপুত্ৰ ব'ৰ্ডে। জিলা আছুৰ উপদেষ্টা অজিত হাজৰিকাই প্ৰতিবাদস্থলীৰ পৰা শীঘ্ৰে খহনীয়াৰ স্থায়ী সুৰক্ষাৰ দাবী জনাইছে। ব্ৰহ্মপুত্ৰ ব'ৰ্ডক কামৰ পৰা অপসাৰণ কৰি কোনো নিৰ্ভৰযোগ্য প্ৰতিস্থানক মাজুলী সুৰক্ষাৰ দায়িত্ব অৰ্পন কৰিবলৈ দাবী জনাইছে জিলা আছুৱে। প্ৰতিবাদস্থলীত উপ-সভাপতি প্ৰাঞ্জল শইকীয়াকে প্ৰমুখ্যে কৰি শতাধিক আছু কৰ্মী আৰু স্থানীয় ৰাইজ উপস্থিত থাকে। উল্লেখ্য যে, মাজুলীৰ সুৰক্ষাৰ কামৰ ঠিকা লাভ কৰা টি.কে কোম্পানীটোৱে ২৩৮ কোটি টকা ব্যয়েৰে ২০১৮ বৰ্ষৰ ফেব্ৰুৱাৰী মাহৰ পৰাই খহনীয়া প্ৰতিৰোধৰ বাবে ২৭ কিঃমিঃ বেংক ৰিবেটমেণ্ট আৰু ২২ খন আৰচিচি পাৰ্কুপাইনৰ নিৰ্মাণকাৰ্য দহ মাহতে সম্পূৰ্ণ কৰিব লাগিছিল। কিন্তু কাম এতিয়াও আধৰুৱা হৈ থকাৰ অভিযোগ উঠিছে। টি.কে কোম্পানীয়ে কেম্প পতা দৰিয়া পাৰৰ মাজুলী মহাবিদ্যালয়ৰ খেল পথাৰত কোম্পানীৰ বহু সামগ্ৰী পেলাই থোৱাৰ লগতে বহু পৰিমাণৰ জি'অ বেগ পেলাই থোৱাৰো অভিযোগ উঠিছে।

# গোলাঘাটৰ বিশিষ্ট শিক্ষাবিদ, লেখক তথা সমাজকৰ্মী ৰবীন্দ্ৰনাথ দত্তৰ দেহাৱসান



**গোলাঘাট, ১৯ ফেব্ৰুৱাৰীঃ** গোলাঘাটৰ বিশিষ্ট শিক্ষাবিদ, লেখক তথা সমাজকৰ্মী ৰবীন্দ্ৰনাথ দত্তই যোৱা নিশা প্ৰায় ১.৩০ বজাত নিজ বাসভৱনত শেষ নিশ্বাস ত্যাগ কৰে। মৃত্যুৰ সময়ত তেখেতৰ বয়স আছিল ৮১ বছৰ। দীৰ্ঘদিনে সমাজৰ বিভিন্নক্ষেত্ৰলৈ অৱদান আগবঢ়াই অহা দত্তৰ পৰলোকপ্ৰাপ্তিত গোলাঘাটত শোকৰ ছাঁ পৰিছে। কালি বিয়লিভাগলৈকে গোলাঘাটৰ ৰাজহুৱা অনুষ্ঠান নাগৰিক সভাত অংশগ্ৰহণ কৰি ৰাইজৰ সৈতে বহু সময় কটোৱা দত্তৰ মৃত্যুত বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে শোক প্ৰকাশ কৰাৰ লগতে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছে। ভাস্কৰ উচ্চ বুনিয়াদী বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক দত্তই শিক্ষাক্ষেত্ৰত আগবঢ়োৱা অৱদানৰ বাবে অসম চৰকাৰৰ কৃতী শিক্ষকৰ বঁটাও লাভ কৰিবলৈ সক্ষম হৈছিল। ৩খনকৈ গ্ৰন্থ লিখি গোলাঘাটৰ বিশিষ্ট নাগৰিকগৰাকীয়ে সাহিত্যৰ জগতলৈ বিশেষ অৱদান আগবঢ়াই গৈছে। পূব কমাৰবন্ধা সাংস্কৃতিক চৰ্চা কেন্দ্ৰৰ প্ৰতিষ্ঠাপক সম্পাদক দত্তই কমাৰবন্ধা শাখা সাহিত্য সভা, কমাৰবন্ধা ক্ৰীড়া সন্থা, বকলাই জাতীয় বিদ্যালয়, বিহু সুৰক্ষা সমিতি, কমাৰবন্ধা শাখা অসম সাহিত্য সভাৰ লগতে বিভিন্ন সামাজিক, সাংস্কৃতিক তথা ধৰ্মীয় অনুষ্ঠান-প্ৰতিষ্ঠানৰ সৈতে জড়িত থাকি বিশেষ অৰিহণা আগবঢ়াই গৈছে। ভাস্কৰ বুনিয়াদী বিদ্যালয়ৰ লগতে পূব কমাৰবন্ধা সাংস্কৃতিক চৰ্চা কেন্দ্ৰ তথা আন বিভিন্ন স্থানত গোলাঘাট জিলা ক্ৰীড়া সন্থা, গোলাঘাট জিলা মটৰ পৰিবহন সন্থা, গোলাঘাট গ্ৰন্থ সংস্কাৰ আৰু বিজ্ঞান সমিতি, টেংকাৰ এছ'চিয়েচন, নুমলীগড়, ভাৰতীয় জনতা পাৰ্টিৰ যুৱ মৰ্চা, নামবৰ ক্লাৱ, গোলাঘাট, গোলাঘাট জিলা কেন্দ্ৰীয় ৰঙালী বিহু স্থায়ী সমিতি, কমাৰবন্ধা কেন্দ্ৰীয় ৰঙালী বিহু স্থায়ী সমিতি, সদৌ অসম ভাওনা সমাৰোহ, শালিকীহাট, পূব কমাৰবন্ধা সাংস্কৃতিক চৰ্চা কেন্দ্ৰ, ভাস্কৰ বুনিয়াদী বিদ্যালয়, ১ নং কানুগাঁও নামঘৰ, কানুগাঁও বৰনামঘৰ, বকলাই নামঘৰ, বকলাই পেটুৱাচুক নামঘৰ, পূব কানুগাঁও নামঘৰ, বকলাই জাতীয় বিদ্যালয়, ১ নং মাউত গাঁও প্ৰাৰ্থমিক বিদ্যালয়, কপহুৱাটিংউচ্চ মাধ্যমিক বিদ্যালয়, শ্ৰীমন্ত শংকৰদেৱ সংঘ, সাংস্কৃতিক শাখা, বিহু সুৰক্ষা সমিতি, কমাৰবন্ধা, কপহুৱাটিং মছজিদ সমিতি, বকলাই শিৱ মন্দিৰ, কমাৰবন্ধা সাৰ্বজনীন শিৱ মন্দিৰ, গাভৰুপথাৰ শিৱ মন্দিৰ, কানুগাঁও ছিম্ফনী ক্লাৱ, কমাৰবন্ধা আঞ্চলিক যুৱ সংঘ, কমাৰবন্ধা আঞ্চলিক ছাত্ৰ সন্থা, জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদ, কমাৰবন্ধা, কমাৰবন্ধা প্ৰেছ ক্লাৱ, ভাৰতীয় জনতা পাৰ্টি, কমাৰবন্ধা মণ্ডল, কানুগাঁও প্ৰাৰ্থমিক বিদ্যালয়ৰ লগতে বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে বাসগৃহত উপস্থিত হৈ তেখেতলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। মৃত্যুৰ সময়ত বিশিষ্ট সমাজকৰ্মী তথা শিক্ষাবিদগৰাকীয়ে পত্নী, ২ পুত্ৰ-বোৱাৰী, নাতি-নাতিনীৰ লগতে বহু আত্মীয়ক ইহ সংসাৰত এৰি থৈ গৈছে। উল্লেখ্য যে, প্ৰয়াত দত্ত অসম ক্ৰিকেট সন্থাৰ প্ৰাক্তন উপ-সভাপতি, ক্ৰীড়া সংগঠক তথা ভাৰতীয় জনতা পাৰ্টিৰ ৰাজ্যিক কাৰ্যনিৰ্বাহক পৰীক্ষিত দত্ত আৰু সেনা বাহিনীৰ বিষয়া কৰ্ণেল যামিনী ভূষণ দত্তৰ পিতৃ।



## জন্মস্থান গোলাঘাটত আটকধুনীয়া কাৰ্যালয় মুকলি অসম গণ পৰিষদৰ

## শেষ পৃষ্ঠা

# বিশ্ব টেবুল টেনিছত ভাৰতৰ মিশ্ৰিত ফলাফল

**বুছান, ১৯ ফেব্ৰুৱাৰীঃ** বিশ্ব টেবুল টেনিছ প্ৰতিযোগিতাত ভাৰতে আজি মিশ্ৰিত প্ৰদৰ্শন আগবঢ়াবলৈ সক্ষম হৈছে। মহিলাৰ শাখাত ভাৰতে উজবেকিস্তানক ৩-০ ব্যৱধানত পৰাজিত কৰাৰ বিপৰীতে পুৰুষৰ শাখাত দলটো দক্ষিণ কোৰিয়াৰ হাতত পৰাস্ত হয়। মহিলাৰ শাখাত অভিজ্ঞ মনিকা বাত্ৰাই মাৰ্কাভো মাগডিয়েভাক ১১-৭, ১১-৪ আৰু ১১-১ ত পৰাজিত কৰে। অৰ্চনা কামাথে ৰিমা গুফৰানভৰ বিৰুদ্ধে ১১-৭, ১১-৩ আৰু ১১-৬ ত আৰু দিয়া চিতলে ৰ'জলিনা খাদজিয়েভাৰ লগত ১১-৬, ১০-১২, ১১-৪ আৰু ১১-৬ ত জয়লাভ কৰিবলৈ সক্ষম হয়। ইফালে পুৰুষৰ দলটোৱে আটাইকেইখন মেছতে কৰাজিত হয়। আসন্ত শৰথ কমল, হাৰ্মিত দেশাই আৰু জি সথ্য কোনেও এখনো মেছ জয়লাভ কৰিবলৈ সক্ষম নহ'ল। আজিৰ জয়ৰে ভাৰতৰ মহিলা দলটোৱে পৰৱৰ্তী ৰাউণ্ডলৈ আগবঢ়াৰ সম্ভাৱনা জীয়াই ৰাখিছে।






ভাৰবীয়াঃ ম্যানমাৰৰ য়াংগুন চহৰৰ এক বিশেষ অনুষ্ঠানৰ এটি দৃশ্য

# খেলো ইণ্ডিয়া ইউনিভাৰ্ছিটী গেমছ উদ্বোধন মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ

**গুৱাহাটী, ১৯ফেব্ৰুৱাৰীঃ** দেশৰ বিভিন্ন প্ৰান্তৰ বিশ্ববিদ্যালয়ত অধ্যয়নৰত কেইবা হাজাৰ ক্ৰীড়াবিদেৰে ভৰি পৰিছে গুৱাহাটী৷ গুৱাহাটীৰ সৰুসজাই ক্ৰীড়া কমপ্লেক্সত উখল-মাখল পৰিৱেশ দেখা গৈছে৷ কিয়নো অসমত অনুষ্ঠিত হৈছে খেলো ইণ্ডিয়া ইউনিভাৰ্ছিটী গেমছ অষ্টলক্ষ্মী৷ আজি আড়ম্বৰপূৰ্ণ সাংস্কৃতিক কাৰ্যসূচীৰ মাজেৰে এই প্ৰতিযোগিতা উদ্বোধন কৰা হয়৷ সমাৰোহ আজি গুৱাহাটীত বৰ্ণিল সাংস্কৃতিক কাৰ্যসূচীৰে মুকলি কৰা হয়৷ কেন্দ্ৰীয় মন্ত্ৰী অনুৰাগ ঠাকুৰৰ উপস্থিতিত সৰুসজাই ক্ৰীড়া কমপ্লেক্সত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ক্ৰীড়া সমাৰোহ উদ্বোধন কৰে৷ ক্ৰীড়া সমাৰোহৰ উদ্বোধনী অনুষ্ঠানত অসমৰ পৰম্পৰাগত কৃষ্টি-সংস্কৃতিৰ পয়োভৰ দেখা যায়৷ অসমৰ বিভিন্ন জাতি-জনগোষ্ঠীৰ পৰম্পৰাগত নৃত্যত জীপাল হয় সমাৰোহ৷ অনুষ্ঠিত বৰ্ণিল উদ্বোধনী অনুষ্ঠানত ভাৰ্চুৱেলী অংশ লয় প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী৷ আয়োজক অসমক ধন্যবাদ জনাই এক মুখ্য বহুমুখী ক্ৰীড়া কেন্দ্ৰ হিচাপে গুৱাহাটীয়ে বিশেষ স্থান পোৱ বুলি কয় মোদীয়ে৷ বৃহৎ ক্ৰীড়া সমাৰোহত দেশৰ ২০০ খন বিশ্ববিদ্যালয়ৰ ৪৫০০ খেলুৱৈ অংশ গ্ৰহণ কৰিব৷ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই সকলো খেলুৱৈক অসমলৈ আদৰণি জনোৱাৰ লগতে শুভেচ্ছা জ্ঞাপন কৰে। কেন্দ্ৰীয় ক্ৰীড়ামন্ত্ৰী অনুৰাগ ঠাকুৰক অসমত এই সমাৰোহ অনুষ্ঠিত কৰাৰ সুবিধা দিয়াত কৃতজ্ঞতা জ্ঞাপন কৰে মুখ্যমন্ত্ৰীয়ে৷

newsnextone.comৰ দ্বাৰা গুৱাহাটীৰ পৰা অনলাইনযোগে প্ৰকাশিত আৰু News Next Oneৰ কাৰ্যবাহী সম্পাদক ধ্ৰুৱজ্যোতি ধনন্তৰিৰ দ্বাৰা সম্পাদিত
বাৰ্তা সম্পাদকঃ ওৱাহেদৰ ৰহমান
ই-মেইলঃ newsnextne@gmail.com